জাতি, মাটি আৰু দেশৰ সেৱাত
# দৈনন্দিন বাৰ্তা
১৫ আগষ্ট, ২০২১ ■ দেওবাৰ ■ গুৱাহাটী ■ ২৯ শাওণ, ১৯৪৩ শক




## বৰঝাৰত জাতীয় পৰিষদৰ সপ্তাহজোৰা গণ-স্বাক্ষৰ সংগ্ৰহ অভিযানৰ সামৰণি

### লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰ আদানি গ্ৰুপক হস্তান্তৰ কৰিবলৈ দিয়া নহ'ব ঃ লুৰীণজ্যোতি গগৈ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ১৪ আগষ্ট ঃ** গুৱাহাটীৰ বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰ আদানি গ্ৰুপক গতোৱাৰ সিদ্ধান্ত প্ৰত্যাহাৰ কৰাৰ দাবীত অসম জাতীয় পৰিষদে ৯ আগষ্টৰ পৰা বিমানবন্দৰ সংযোগী পথত আৰম্ভ কৰা গণ-স্বাক্ষৰ অভিযানৰ প্ৰথম পৰ্যায়ৰ আজি সামৰণি পৰে। আজি অন্তিম দিনা পাঁচ শতাধিক লোকে বিমানবন্দৰ আদানি গ্ৰুপক গতোৱা কাৰ্যৰ প্ৰতিবাদ-পত্ৰত স্বাক্ষৰ কৰে। আনহাতে আজি পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে কাৰ্যসূচীৰ নেতৃত্ব প্ৰদান কৰি কয়— দলটোৱে আৰম্ভ কৰা গণ-সচেতনতা অভিযানৰ এয়া আৰম্ভণিহে। বিজেপি চৰকাৰে এপদ এপদকৈ দেশৰ সকলো লাভজনক উদ্যোগক নিৰ্দিষ্ট কিছুসংখ্যক পুঁজিপতি গোষ্ঠীৰ হাতত গতাই দিয়া এনে কাৰ্যৰ বিৰুদ্ধে দলে প্ৰতিবাদ অব্যাহত ৰাখিব। বিমানবন্দৰ আদানি গ্ৰুপক গতাই দিয়া সিদ্ধান্তৰ বিৰুদ্ধে জনমত গঠনৰ পৰৱৰ্তী পদক্ষেপ হিচাপে দলে এইবাৰ অনলাইনযোগে ১৫ আগষ্টৰ পৰা গণ-স্বাক্ষৰ সংগ্ৰহৰ অভিযান আৰম্ভ কৰিব। অসমবাসীৰ আৱেগ জড়িত হৈ থকা লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমানবন্দৰটি ভাৰত চৰকাৰে আদানি গ্ৰুপক ৫০ বছৰৰ কাৰণে লীজত দিছে। অহা অক্টোবৰ মাহৰ পৰা আদানি গ্ৰুপে গ্ৰহণ কৰিব। ১,২০০ কোটি ৰাজহুৱা ধন খৰচ কৰি চৰকাৰে বিমানবন্দৰটো ব্যক্তিগত খণ্ডক গতাই দিয়া কাৰ্য কোনোপধ্যেই মানি লোৱা নহ'ব। অসম জাতীয় পৰিষদে বিমানবন্দৰটো ব্যক্তিগত কোম্পানীক গতাই দিয়াৰ দ্বাৰা বিজেপি চৰকাৰ যে পুঁজিপতিৰ চৰকাৰ সেইটো ওলাই পৰিছে। আনহাতে বৰঝাৰ বিমান বন্দৰ ব্যক্তিগতকৰণ হোৱাৰ পাছত পৰৱৰ্তী সময়ত অসমৰ ৰূপসী, লীলাবাৰী আদি বিমানবন্দৰ অৱহেলিত হৈ পৰাটো নিশ্চিত বুলি লুৰীণজ্যোতি গগৈয়ে ব্যক্ত কৰে। আনহাতে কাৰ্যসূচীত পৰিষদৰ কেন্দ্ৰীয় কমিটীৰ কাৰ্যকৰী সভাপতি পবিন্দ্ৰ ডেকা, উপ-সভাপতিদ্বয় দুলু আহমেদ আৰু বলেন্দ্ৰ ভৰালী, সম্পাদক ৰাজীৱ ভট্টাচাৰ্য, যুটীয়া সম্পাদক প্ৰিন্স ফাইজুল হক, মৈত্ৰী প্ৰিয়দৰ্শিনী, পাৰ্থপ্ৰতিম বেজবৰুৱা, গিৰীণ তালুকদাৰ, নৃপেন দাস, সাংগঠনিক সম্পাদক অচ্যুত শইকীয়া, প্ৰচাৰ সম্পাদক দেৱজিৎ অধিকাৰী, কামৰূপ মহানগৰ জিলা কমিটীৰ সভাপতি সঞ্জীৱ বৰা, সম্পাদক আছিফ আলী আৰু প্ৰণৱ ডেকা, পৰিষদৰ যুৱশক্তিৰ কৰ্মকৰ্তা জিতেন ৰাভা, জিণ্টু ডেকা আৰু নিতুৰাজ ডেকা, মহিলা শক্তিৰ কৰ্মকৰ্তা মামণি তালুকদাৰ চৌধুৰী, বুলুমণি গগৈ আৰু জাহানাৰা ইয়াছমিনকে ধৰি কেইবাজনেও জয় আই অসম ধ্বনি দি লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই কয় পাকিস্তানত চামিল কৰিবলৈ নিদি আপুনি অসমক বচালে। নিলাজ বিজেপি চৰকাৰে আপোনাক আদানিক গতালে। এয়া আমি মানি নলওঁ।

**PREMIER CRYOGENICS LTD.**
136, Maniram Dewan Road, Chandmari, Guwahati - 781 003Ph.0361-2660192 Fax-0361-2661787
E-mail:info@premiercryogenics.com Website:www.premiercryogenics.com CIN:L24111AS1994PLC004051

**EXTRACT OF UNAUDITED CONSOLIDATED FINANCIAL RESULTS FOR THE QUARTER ENDED 30TH JUNE, 2021** (Rs. in Lakhs)

| Particulars | Quarter Ended | | Year Ended |
|---|---|---|---|
| | 30.06.21 (Unaudited) | 30.06.20 (Unaudited) | 31.03.21 (Audited) |
| 1. Total Income from operations | 2848 | 749 | 5681 |
| 2. Net Profit / (Loss) for the period (before tax exceptional and/or extraordinary items | 983 | 57 | 981 |
| 3. Net Profit / (Loss) for the period before tax (after exceptional and/or extraordinary items) | 983 | 57 | 963 |
| 4. Net Profit / (Loss) for the period after tax (after exceptional and/or extraordinary items) | 735 | 39 | 717 |
| 5. Total Comprehensive Income for the period [comprising Profit/(Loss) for the period (after tax) and other comprehensive income (after tax)] | 735 | 39 | 717 |
| 6. Equity share capital (Face Value Rs.10/- per share) | 492 | 492 | 492 |
| 7. Other Equity | | | 5481 |
| 8. Earnings per share (of Rs.10/- each) Basic & diluted | 14.94 | 0.79 | 14.56 |

Notes:1. Key Standalone financial information are given below: (Rs. in Lakhs)

| Particulars | Quarter Ended | | Year Ended |
|---|---|---|---|
| | 30.06.21 (Unaudited) | 30.06.20 (Unaudited) | 31.03.21 (Audited) |
| Total Income from operations | 2848 | 749 | 5681 |
| Profit Before Tax (before Exceptional items) | 983 | 57 | 981 |
| Profit Before Tax (after Exceptional items) | 983 | 57 | 963 |
| Profit After Tax (before Exceptional items) | 735 | 39 | 717 |
| Profit After Tax (after Exceptional items) | 735 | 39 | 717 |

2. The Company's wholly owned subsidiary is not in active operation and hence there is no difference between the consolidated and standalone total income during the period.
3. The financial results have been subjected to Limited Review by the Statutory Auditors.
4. The above results were reviewed by Audit Committee and taken on record by Board at their meeting on 14/08/2021.
5. The above is an extract of the detailed format of Quarterly Financial Results filed with the Stock Exchange under Regulation 33 of the SEBI (Listing Obligations and Disclosure Requirements) Regulations, 2015. The full format of the Quarterly Financial Results is available on the Stock Exchange website (**www.cse-india.com**) and on the Company's website (**www.premiercryogenics.com**).

Place : Guwahati
Date : 14/08/2021

For PREMIER CRYOGENICS LTD.
ABHIJIT BAROOAH, MANAGING DIRECTOR

## অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ চৌহদত প্ৰকৃতি উদ্যানৰ আধাৰশিলা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৪ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ হেঙেৰাবাৰীস্থিত অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ চৌহদত নিৰ্মাণ কৰিবলৈ লোৱা প্ৰকৃতি উদ্যানৰ আধাৰশিলা স্থাপন কৰে। গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণে ১১.৯৩ কোটি টকা ব্যয়ৰে ১৪ বিঘাতকৈও অধিক ভূমিত এই উদ্যানখন নিৰ্মাণ কৰিব। উদ্যানখনত এটা নিৰীক্ষণ টাৱাৰ, কেফেটেৰিয়া, শিশুৰ খেলা-ধূলাৰ স্থান, ধ্যান কেন্দ্ৰ, নাৰ্চাৰী আদি থাকিব। এই প্ৰকল্পটো এবছৰৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে ফাটীবজাৰৰ পুৰণি কাৰাগাৰ চৌহদত অতি শীঘ্ৰেই এখন উদ্ভিদ উদ্যানৰ কাম আৰম্ভ কৰা হ'ব। মালিগাঁৱৰ হাউচিং ব'ৰ্ডৰ ভূমিতো আন এখন উদ্যান নিৰ্মাণ কৰি থকা হৈছে বুলি কয়। চানমাৰিস্থিত জলসম্পদ আৰু জলসিঞ্চন বিভাগৰ কাৰ্যালয় ভৱনসমূহ দিছপুৰলৈ স্থানান্তৰিত কৰি সেই স্থানত ২৬ বিঘা ভূমি সামৰি আন এখন উদ্যান স্থাপন কৰা হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে সৃষ্টি নগৰ, আমচাং আদি স্থান বেদখলমুক্ত কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হ'ব। তেওঁ লগতে কয় যে নগৰাঞ্চলত বসবাস কৰা ৰাইজেও যাতে প্ৰকৃতিৰ নিবিড় সান্নিধ্যত জীৱন-যাপন কৰিব পাৰে, তাৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰে গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যখনৰ বিভিন্ন স্থানত থকা মুকলি ঠাই, বন্য জীৱ-জন্তুৰ বসতিস্থল, প্ৰাকৃতিক জলাশয় আদি সংৰক্ষণৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় নতুন ফ্লেট ক্ৰয় তথা পঞ্জীয়নৰ ক্ষেত্ৰত উপায়ুক্তৰ অনুমতি লোৱা পদ্ধতিৰ বিলুপ্তি সাধনৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। গুৱাহাটী পৌৰ নিগমৰ কাৰ্যালয়লৈ নহাকৈয়ে ব্যৱসায়-বাণিজ্যৰ অনুজ্ঞাপত্ৰ লাভৰ বাবে অনলাইনযোগে আবেদন কৰা তথা অনলাইনযোগে মাচুল আদায় দিয়াৰ বাবে গুৱাহাটী পৌৰ নিগমে অতি শীঘ্ৰেই এটা নতুন ৱেব প'ৰ্টেল মুকলি কৰিব বুলিও তেওঁ জানিবলৈ দিয়ে। ছুপাৰ মাৰ্কেটত নিৰ্মাণ হৈ থকা উৰণ-সেতুঁখন অহা দুৰ্গা পূজাৰ সময়তে সাজু হৈ উঠিব বুলি আশা প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে মহানগৰীত নিৰ্মাণ হৈ থকা অন্যান্য উৰণ-সেঁতুসমূহো নিৰ্দ্ধাৰিত সময়তে সম্পূৰ্ণ কৰি তোলা হ'ব। আজিৰ অনুষ্ঠানত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহল, সাংসদ কুইন ওজা, বিধায়ক অতুল বৰা প্ৰমুখ্যে ৰাজ্য চৰকাৰৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।



**এলাইটকন ইণ্টাৰনেচনেল লিমিটেড**
(পূৰ্বৰ কাশীৰাম জৈন আৰু কোম্পনী লিমিটেড)
পঞ্জীয়ন কাৰ্যালয় ঃ লাচিত নগৰ, এছ আৰ বি ৰোড, গুৱাহাটী- ৭৮১ ০০৭, অসম
চি আই এন ঃ এল ৭০১০০ এএছ ১৯৮৭ পি এল চি ০০২৮২৮, ফোন ঃ ৯৭৪৮২৬১৮৬৭
ই-মেইল ঃ kjcl002828@yahoo.co.in, বেবচাইট ঃ www.eliteconinternational.com
খণ্ড-১
৩০ জুন ২০২১ ত সমাপ্ত ত্ৰৈমাসিক আন-অডিটেড বিত্তীয় ফলাফলসমূহ

৩০ জুন ২০২১ ত সমাপ্ত ত্ৰৈমাসিক আন-অডিটেড বিত্তীয় ফলাফলসমূহৰ বিৱৰণ

| ক্ৰ নং | বিষয়-বস্তু | সাম্প্ৰাতিক ত্ৰৈমাসিক সমাপ্তি ৩০-০৬-২০২১ আন-অডিটেড | পূৰ্বৰ বৰ্ষৰ ত্ৰৈমাসিক সমাপ্তি ৩০-০৬-২০২০ আন-অডিটেড | সাম্প্ৰতিক বাৰ্ষিক সমাপ্তি ৩১-০৩-২০২১ অডিটেড |
|---|---|---|---|---|
| ১ | লেনদেনৰ পৰা মুঠ আয় | ০.০০ | ২.১৭ | ৯.৬ |
| ২ | উক্ত সময়ৰ মুঠ লাভ (কৰৰ পূৰ্বে, এক্সছেপচনেল আৰু/বা এক্সটা অৰ্ডিনেৰী আইটেমছ) | (৬.৮১) | ০.২৬ | (৪.০১) |
| ৩ | উক্ত সময়ৰ মুঠ লাভ কৰৰ পূৰ্বে (পিছত এক্সছেপচনেল আৰু/বা এক্সটা অৰ্ডিনেৰী আইটেমছ)) | (৬.৮১) | ০.২৬ | (৪.০১) |
| ৪ | উক্ত সময়ৰ মুঠ লাভ কৰৰ পিছত (পিছত এক্সছেপচনেল আৰু/বা এক্সটা অৰ্ডিনেৰী আইটেমছ) | (৬.৮১) | ০.১৯ | (৪.০১) |
| ৫ | উক্ত সময়ৰ মুঠ সামগ্ৰীক আয় (সামগ্ৰীক লাভ)/(লোকচান) উক্ত সময়ৰ (কৰৰ পিছত) আৰু অন্যান্য সামগ্ৰীক আয় (কৰৰ পিছত)) | (৬.৮১) | ০.১৯ | (৪.০১) |
| ৬ | ইকুইটি শ্বেয়াৰ কেপিটেল | ১০৬.০০ | ১০৬.০০ | ১০৬.০০ |
| ৭ | সংৰক্ষণসমূহ (সংৰক্ষিত পুনৰ মূল্যায়ন বাদ দি) (পূৰ্বৰ বৰ্ষৰ অডিটেড বেলেঞ্চশ্বিটত দেখুৱাৰ ধৰণে) | ০.০০ | ০.০০ | ০.০০ |
| ৮ | প্ৰতিটো শ্বেয়াৰৰ পৰা আয় (১০ টকা মূল্যত/প্ৰতিটো) (ধাৰাবাহিক আৰু অধাৰাবাহিক লেনদেনৰ বাবে) | | | |
| | - বেছিক ঃ | ০.৬৪ | ০.০২ | ০.৩৮ |
| | - ডাইলোটেড ঃ | ০.৬৪ | ০.০২ | ০.৩৮ |

টোকা ঃ
১। ওপৰৰ ফলাফলসমূহ ১৪ আগষ্ট ২০২১ ত অনুষ্ঠিত সঞ্চালক মণ্ডলীৰ বৈঠকৰ তথ্যৰ পৰা সংগৃহিত।
২। ছেবি (লিষ্টিং অব্লিগেছনছ এণ্ড ডিছক্লজাৰ ৰিকুৱায়াৰমেনছ) বিধি- ২০১৫ ৰ ভিত্তিত আৰু বিধি-৩৩ ৰ অধীনত ওপৰত উল্লেখ কৰা তথ্যসমূহ ষ্টক এক্সছেঞ্জত দাখিল কৰা ত্ৰৈমাসিক বিত্তীয় ফলাফলসমূহৰ বিৱৰণ।
৩। উক্ত ত্ৰৈমাসিক বিত্তীয় ফলাফলসমূহ ষ্টক এক্সেঞ্জৰ বেবছাইট (www.bseindia.com) আৰু কোমপানীৰ বেবছাইট (www.eliteconinternational.com) ত উপলব্ধ আছে।

সঞ্চালক মণ্ডলীৰ হৈ
এলাইটকন ইণ্টাৰনেচনেল লিঃ
(পূৰ্বৰ কাশীৰাম জৈন আৰু কোম্পানী লিঃ)
স্বা/- (বিপিন শৰ্মা)
সঞ্চালক
ডিআইএন ঃ ০১৭৩৯৫১৯

স্থান ঃ নয়দা উত্তৰপ্ৰদেশ
তাৰিখ ঃ ১৪.০৮.২০২১

GNRC Quality•Value•Trust
Affordable Health Mission
স্বাস্থ্য-বাৰ্তা

**জিএনআৰচি আত্মনিৰ্ভৰ অভিযান**

জিএনআৰচিৰ সহায়ত আত্মনিৰ্ভৰ হৈ জীৱন যাপন কৰাৰ এক সোণালী সুযোগ। ৰাইজক ৰোগ প্ৰতিৰোধ আৰু স্বাস্থ্যৱান হৈ থকাত সহায় কৰি এতিয়া আপুনি নিজৰ তথা পৰিয়ালৰ আৰ্থিক ভৱিষ্যৎ সুৰক্ষিত কৰিব পাৰে।

**জিএনআৰচি আত্মনিৰ্ভৰ অভিযানৰ অধীনত নিম্নোক্ত পদসমূহৰ বাবে আবেদন পত্ৰ বিচৰা হৈছে ঃ**

● স্বাস্থ্যমিত্ৰ ● এৰিয়ামেনেজাৰ ● এম্বুলেঞ্চঅপাৰেটৰ

**শিক্ষাগত অৰ্হতা ঃ** ন্যূনতম হাইস্কুল শিক্ষান্ত পৰীক্ষা উত্তীৰ্ণ
**বয়স ঃ** ১৮ বছৰৰ পৰা ৫০ বছৰ
*স্মাৰ্টফোন থকাটো আৰু ব্যৱহাৰ জনাটো বাধ্যতামূলক।*

আপোনাৰ ব্যক্তিত্বৰ বাঞ্চনীয় বিশেষত্বসমূহ ঃ
- ■ পৰোপকাৰী মনোভাব
- ■ সামাজিক কামত আগৰণুৱা
- ■ আৰ্থিকভাৱে স্বাৱলম্বী হোৱাৰ অদম্য হেঁপাহ
- ■ নিজৰ তথা পৰিয়ালৰ আৰ্থিক নিৰাপত্তা সুনিশ্চিত কৰাত আগ্ৰহী

অধিক তথ্যৰ বাবে যোগাযোগৰ নম্বৰ
০৩৬১-২৩২০৩০২ ০৩৬১-২৩২০৩০৩
info@gnrchospitals.com www.gnrchospitals.com

প্ৰতিজন দেশবাসীকে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো

**75 সংখ্যক স্বাধীনতা দিৱস**

— জয় হিন্দ —

75 Azadi Ka Amrit Mahotsav

তথ্য ও সম্প্ৰচাৰ মন্ত্ৰালয়
ভাৰত চৰকাৰ

“দেশখনৰ স্বাধীনতাৰ অমৃত মহোৎসৱ হৈছে কোটি কোটি ভাৰতীয়ৰ এটি পৰ্ব, যি হৈছে সমগ্ৰ ভাৰতৰে ঐতিহ্য, তদুপৰি এয়া হৈছে স্বাধীনতা সংগ্ৰাম আৰু স্বাধীন ভাৰতৰ গৌৰৱময় প্ৰগতিৰ প্ৰতিফলন। এইউৎসৱে বিশ্বখনক আমাৰ ৭৫ বছৰৰ সফলতাসমূহ প্ৰদৰ্শন কৰিছে আৰু এয়া হৈছে অহা ২৫ বছৰৰ অৰ্থে উন্নয়নৰ ৰূপৰেখা অংকন আৰু সংকল্প গ্ৰহণৰ বাবে অনুপ্ৰেৰণা লাভৰ এটি উপলক্ষ্য।”

— নৰেন্দ্ৰ মোদী



davp 22201/13/0010/2122

প্ৰতিটো অংশত,
প্ৰতিটো হৃদস্পন্দনত... ৰাষ্ট্ৰ প্ৰথম

দূৰদৰ্শনৰদ্বাৰা লালকিল্লাৰ প্ৰাচীৰত স্বাধীনতা দিৱসৰ কাৰ্যসূচী পুৱা ৬ বাজি ২৫ মিনিটৰ পৰা লাইভ সম্প্ৰচাৰ কৰা হ'ব

#AmritMahotsav
কিউআৰ ক'ডটো স্কেন কৰক আৰু আজাদী কা অমৃত মহোৎসৱত অংশগ্ৰহণ কৰক